**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পাঞ্জাবৰ জলন্ধৰ পশ্চিম সংৰক্ষিত বিধানসভা সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনত আজি আম আদমী পাৰ্টীয়ে জয়লাভ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাইব্ৰেণ্ট ভিলেজৰ কাৰ্যসূচী ৰূপায়ন সন্দৰ্ভত পৰ্যালোচনাৰ বাবে নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈছে।০০০০০

৩। অসমৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হৈছে যদিও ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহ এতিয়াও বিপদসীমাৰ ওপৰেৰে বৈ আছে।

৪। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল কাইলৈ স্পেইন আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব। আনহাতে কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আৰ্জেণ্টিনাই কলম্বিয়াৰ বিৰুদ্ধে খেলিব।*আৰু*

৫। ভাৰত আৰু জিম্বাব্ৰেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব।

০০০০০০০

**পঞ্জাৱৰ জলন্ধৰ পশ্চিম সংৰক্ষিত বিধানসভা সমষ্টিত অনুষ্ঠিত উপ নিৰ্বাচনত আজি আম আদমী পাৰ্টীয়ে জয়লাভ কৰে।**

**দলটোৰ প্ৰাৰ্থী মহিন্দৰ ভগত ৩৭,৩২৫ টা ভোটৰ ব্যৱধানত জয়ী হয়। এই উপ নিৰ্বাচনত বিজেপিয়ে ১৭ হাজাৰ ৯২১ টা ভোট আৰু কংগ্ৰেছে ১৬ হাজাৰ ৭৫৭ টা ভোট লাভ কৰে।০০০০০০০০০**

হিমাচল প্ৰদেশৰ উপ-নিৰ্বাচন হৈ যোৱা তিনিটা বিধানসভা সমষ্টি ক্ৰমে ডেৰা, হামিড়পুৰ আৰু নালাগড়ত ভোট গণনা চলি আছে। শেহতীয়া তথ্য অনুসৰি ডেৰা আৰু নালাগড়ত কংগ্ৰেছ প্ৰাৰ্থী আগবাঢ়ি থকাৰ বিপৰীতে হামিড়পুৰত বিজেপি প্ৰাৰ্থীগৰাকীয়ে আগবাঢ়ি আছে। ডেৰা সমষ্টিত মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুৰ পত্নীৰ কমলেশ ঠাকুৰ বিজেপি প্ৰাৰ্থী হোছিয়াৰ সিঙতকৈ সাতহাজাৰ ৮০০ ৰো অধিক ভোটত আগবাঢ়ি আছে। নালাগড়ত কংগ্ৰেছৰ হৰদ্বীপ সিং বাৱা চাৰিহাজাৰ ১৩৭টা ভোটত বিজেপি প্ৰাৰ্থী কে এল ঠাকুৰতকৈ আগবাঢ়ি আছে। বিজেপি প্ৰাৰ্থী আশিষ শৰ্মা হামিবুৰ সমষ্টিত এহেজাৰ ৫৪৫টা ভোটত আগবাঢ়ি আছে। তিনিওটা সমষ্টিতে ১০ জুলাইত ভোটগ্ৰহণ কৰা হৈছিল।

০০০০০০০০০

বিহাৰৰ পুৰ্ণিয়াত কটকটীয়া নিৰাপত্তাৰ মাজত ৰূপাউলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোট গণনা চলি আছে। সপ্তম পৰ্যায়ৰ গণনাৰ পাছত নিৰ্দলীয় প্ৰাৰ্থী শংকৰ সিং নিকটতম প্ৰতিদ্বন্দ্বী জে ডি ইউৰ কলন্ধৰ প্ৰসাদ মণ্ডলতকৈ এহেজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। সপ্তম পৰ্যায়ৰ পাছত শংকৰ সিঙে ৩৭ হাজাৰ ১৩৭টা ভোট লাভ কৰাৰ বিপৰীতে মণ্ডলে ৩৬ হাজাৰ ১০১ টা ভোট লাভ কৰিছে। আৰ জে ডিৰ প্ৰাৰ্থী তথা প্ৰাক্তন মন্ত্ৰী বিমা ভাৰতী তৃতীয় স্থানত আছে। সমষ্টিটোত মুঠ ১২ পৰ্যায়ৰ ভোট গণনা হ'ব। তদানীন্তন বিধায়ক বিমা ভাৰতীয়ে জে ডি ইউ এৰি আৰ জে ডিত যোগদান কৰিছিল আৰু লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে সমষ্টিটোত উপ-নিৰ্বাচন অনুষ্ঠিত হয়।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাইব্ৰেণ্ট ভিলেজৰ কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কে পৰ্যালোচনা কৰিবলৈ নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈছে। কেন্দ্ৰীয় গৃহ সচিব অজয় ভল্লা আৰু মন্ত্ৰালয়ৰ আন জ্যেষ্ঠ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিছে। এই কাৰ্যসূচী হৈছে- অৰুণাচল প্ৰদেশ, হিমাচল প্ৰদেশ, ছিকিম, উত্তৰাখণ্ড আৰু লাডাখৰ ১৯ খন জিলাৰ ৪৬ টা খণ্ডত নিৰ্বাচিত গাওঁসমূহৰ বিকাশৰ বাবে কেন্দ্ৰৰ তৰফৰ পৰা গ্ৰহণ কৰা আঁচনি।

এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে জনসাধাৰণৰ জীৱন ধাৰনৰ মানদণ্ড উন্নত কৰা আৰু প্ৰব্ৰজন ৰোধ কৰা। এই কাৰ্যসূচীত কৃষি, উদ্যানশস্য, পৰ্যটন আৰু সাংস্কৃতিক ঐতিহ্য, দক্ষতা বিকাশ আৰু উদ্যোগৰ প্ৰচাৰ আৰু জীৱিকাৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত পৰিকল্পনা কৰা হৈছে।

০০০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হৈছে যদিও ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহ এতিয়াও বিপদসীমাৰ ওপৰেৰে বৈ আছে। নিমাতীঘাট, তেজপুৰ আৰু ধুবুৰীত ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ বিপৰীত খোৱাঙত বুঢ়িদিহিং নৈ বিপদসীমাৰ ওপৰে বৈ আছে। ৰাজ্যৰ ২৪ খন জিলাৰ প্ৰায় ১৪ লাখ লোক এতিয়াও বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা তথ্য অনুসৰি এতিয়াও ৭৫টা ৰাজহ চক্ৰৰ দুহেজাৰ ৪০৬ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বৰ্তমানলৈকে শেহতীয়া বানত ৯০ জন লোকে প্ৰাণ হেৰুৱাৰ তথ্য পোৱা গৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২৯৯টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

মানকাচৰৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হৈছে। আনহাতে জিলাখনত ব্ৰহ্মপুত্ৰ নদী এতিয়াও বিপদসীমাৰ ওপৰেৰে বৈ আছে. বিগত দুসপ্তাহ ধৰি মানকাচৰৰ বেপাৰীপাৰাৰ শতাধিক পৰিয়ালে ৰাস্তাত আশ্ৰয় লৈ আছে।

জিলাখনৰ অৰ্ধশতাধিক গাঁও এতিয়াও বানৰ কবলত আছে। জিলা প্ৰশাসনৰ তৰফৰ পৰা তিনি দিনৰ বাবে বানাক্ৰান্তসকলক বান সাহায্য আৰু পশু খাদ্য যোগান ধৰা হৈছে।

ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন অথবা ক্ষতিপূৰণ প্ৰদানৰ কাম শীঘ্ৰেই আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰিছে। তেওঁ জনোৱা মতে বান পৰিস্থিতি ক্ৰমাৎ উন্নত হৈ আহিছে আৰু পানী শুকোৱাৰ পিছত সৰ্বসাধাৰণৰ বাবে গ্ৰহণ কৰিবলগীয়া সকলো ব্যৱস্থা জিলা প্ৰশাসনে তৎকালে আৰম্ভ কৰিব।

ooooooooo

**বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে অহা মঙলবাৰে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ৰাজ্যিক সামুদ্ৰিক আৰু জলপথ পৰিবহণ সমিতিৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকত ৰাজ্যসমূহৰ নিৰ্দিষ্ট সামুদ্ৰিক আৰু জলপথ পৰিবহণৰ পৰিকল্পনা প্ৰস্তুত কৰা, সামুদ্ৰিক খণ্ডৰ নীতি যুগুত কৰা, জল পৰ্যটন আৰু নগৰীয়া জল পৰিবহনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰালয়ে কৈছে যে, বৈঠকৰ উদ্দেশ্য হৈছে সমগ্ৰ দেশতে সামুদ্ৰিক আৰু জলপথ পৰিবহনৰ বিকাশ নিশ্চিত কৰা। আনহাতে প্ৰতিখন ৰাজ্যতে বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে জলপথ পৰিবহণ খণ্ডৰ ব্যৱস্থাপনা আৰু একত্ৰিতকৰণৰ বাবে ৰাজ্যিক সামুদ্ৰিক আৰু জলপথ পৰিবহণ সমিতি গঠন কৰিছে।**

ooooooooo

**শ্বহীদ কেপ্টেইন অংশুমান সিঙৰ পত্নীক অপমানজনক মন্তব্য কৰাৰ অভিযোগত দিল্লী আৰক্ষীয়ে ৰাষ্ট্ৰীয় মহিলা আয়োগক এজাহাৰ দাখিল কৰিছে। মহিলা আয়োগে সামাজিক মাধ্যমত তেওঁৰ বিৰুদ্ধে কৰা মন্তব্যত গুৰুত্ব আৰোপ কৰিছে। দিল্লী আৰক্ষীৰ বিশেষ কোষৰ দ্বাৰা গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত চলি আছে।**

ooooooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ঠিকাভিত্তিক সম্পাদনা  সহায়ক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক পদত নিযুক্তিৰ  বাবে কাইলৈ কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। মুঠ ১০০ নম্বৰৰ এই পৰীক্ষা দিনৰ ১১ বজাৰ পৰা ১ বজালৈকে অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক দিনৰ ১০ বজাত যাৱতীয় তথ্যপাতিৰ লগতে ফটো পৰিচয়  পত্ৰসহ পৰীক্ষাস্থলীত উপস্থিত হ'বলৈ কোৱা হৈছে।

ooooooooo

ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন কাইলৈ নিশা চাৰে ১২ বজাত বাৰ্লিনত স্পেইন আৰু আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব। খেলখনত স্পেইন অভিলেখ সংখ্যক চতুৰ্থবাৰৰ বাবে খিতাপ লাভৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে। ইংলেণ্ডে একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউৰোকাপৰ ফাইনেল খেলিব। ছেমিফাইনেলত স্পেইনে ২-১ গলত ফ্লান্সক আৰু একেই ব্যৱধানত ইংলেণ্ডে নেডাৰলেণ্ডছক পৰাজিত কৰিছিল।

আন এখন মহাদেশীয় ফুটবল প্ৰতিযোগিতা ক'পা আমেৰিকাক কাইলৈ ভাৰতীয় সময় অনুসৰি পুৱা চাৰে পাঁচ বজাত মিয়ামিত হ'বলগীয়া ফাইনেল খেলত আৰ্জেণ্টিনা, কলম্বিয়া বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেমিফাইনেলত কলম্বিয়াই উৰুগুৱেক আৰু আৰ্জেণ্টিনাই কানাডাক পৰাজিত কৰিছিল। আৰ্জেণ্টিনাই তৃতীয়বাৰৰ বাবে খিতাপ জয়ৰ চেষ্টা চলাব। আনহাতে কলম্বিয়াই দ্বিতীয়বাৰৰ বাবে কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী হোৱাৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হ'ব। কোপা আমেৰিকা ফুটলৰ প্ৰতিযোগিতাৰ ইতিহাসত আৰ্জেণ্টিনা আৰু উৰুগুৱে হৈছে আটাইতকৈ সফল দল। দুয়োটা দলে ১৫ বাৰকৈ এই প্ৰতিযোগিতাত বিজয়ী হৈছে।

ooooooooo

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটো বৰ্তমান শৃংখলাত ২-১ ফলাফলেৰে আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেলত ভাৰত জিম্বাব'ৱেৰ হাতত ১৩ ৰানত পৰাজয়ৰ সন্মুখীন হোৱাৰ বিপৰীতে পৰৱৰ্তী দুয়োখন খেলত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে। দ্বিতীয়খন খেলত ভাৰতে ঘৰুৱা দল জিম্বাব'ৱেক ১০০ ৰানত পৰাস্ত কৰাৰ বিপৰীতে তৃতীয়খন খেলত ২৩ ৰানত বিজয় জয়লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ একেখন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooooooo

উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি সপ্তম বাছনিৰ জেছমিন পাউলিনিয়ে মহিলাৰ ছিংগলছৰ ফাইনেলত ৩১ সংখ্যক বাছনিৰ বাৰবৰা ক্ৰেজিকোভাৰ বিৰুদ্ধে খেলিব। খেলখন লণ্ডনত ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'ব। ছেক ৰিপাব্লিকৰ ক্ৰেজিকোভাই কাজখস্তানৰ এলেনা ৰাইবাকিনাক ছেমি ফাইনেলত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে ইটালীৰ পাউলিনিয়ে ক্ৰৱেছিয়াৰ ড'না ভেকিচক ছেমি ফাইনেলত পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত ৭ বাৰৰ বিজয়ী ন'ভাক জ'ক'ভিছে কাইলৈ যোৱাবাৰৰ বিজয়ী কাৰ্লোছ অল্কাৰজৰ বিৰুদ্ধে খেলিব। ছাৰ্বিয়াৰ জ'ক'ভিছে ২৫ সংখ্যক বাছনিৰ ইটালীৰ ল'ৰেঞ্জ' মুছেট্টিক ছেমিফাইনেলত যোৱা নিশা ৬-৪, ৭-৬, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে স্পেইনৰ অলকাৰজে ৰাছিয়াৰ ডেনিল মেডভেদেভক ৬-৭, ৬-৩, ৬-৪, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ইপিনে আজি সন্ধিয়া হ'বলগীয়া পুৰুষৰ ডাবলছৰ ফাইনেলত ব্ৰিটেইনৰ হেনৰী পেটেন আৰু ফিনলেণ্ডৰ হেৰী হেলিঅ'ভাৰাৰ যুটীয়ে পঞ্চাদশ বাছনিৰ অষ্ট্ৰেলিয়াৰ যুটী মেক্স পাৰচেল আৰু জৰ্দান থম্পছনৰ বিৰুদ্ধে খেলিব।

মহিলাৰ ডাবলছৰ ফাইনেল খেলখনো আজি নিশা অনুষ্ঠিত হ'ব। ফাইনেলত দ্বিতীয় বাছনিৰ কানাডাৰ গেব্ৰিয়েলা ডাব্ৰ'স্কি আৰু নিউজিলেণ্ডৰ এৰিন ৰৌট'লিফ, চতুৰ্থ বাছনিৰ চেক ৰিপাব্লিকৰ কেটেৰিনা চিনায়াকোভা আৰু আমেৰিকাৰ টেইলৰ টাউনচেণ্ডৰ মুখামুখি হ'ব। মিক্স ডাবলছৰ ফাইনেলত কাইলৈ সপ্তম বাছনিৰ পোলেণ্ডৰ জন জেলেনস্কি আৰু টাইৱানৰ ছিয়েহ ছু-ৱেইৰ যুটীটো মেক্সিগোৰ ছেণ্টিয়াগো গঞ্জালেজ আৰু গিউলিয়ানা অলম'ছৰ মুখামুখি হ'ব।

ooooooooo

**সমাপ্ত**